
www.newsnextone.com
e সংবাদ
Sacn to Donate
NEWSNEXTONE.COM
FRIDAY, OCTOBER 04, 2024 ■ শুকুৰবাৰ।। ১৭ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭২ Guwahati, Assam ।। মূল্যঃ এটকা

## চাকৰি হেৰুৱাব ১৭ আৰক্ষী বিষয়াই

**ই-সংবাদ, ৩ অক্টোবৰঃ** ২০০৮ চনত সেই সময়ৰ ৰাজ্য চৰকাৰে আৰক্ষী পৰিদৰ্শক ৩ পৃষ্ঠাত চাওক

# অসমীয়া, মাৰাঠী, বাংলাসহ ৫টা ভাষালৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা

## ৩ ৰাজ্যৰ সমাগত নিৰ্বাচনলৈ চাই কেন্দ্ৰৰ সিদ্ধান্ত!




**নতুন দিল্লী, ৩ অক্টোবৰঃ** অসমী আইৰ মুখৰ ভাষাটোৱে লাভ কৰিলে ৰাষ্ট্ৰীয় স্বীকৃতি। এক দীঘলীয়া ইতিহাস বুকুত লৈ ফুৰা অসমীয়া ভাষাটোক আজি ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনাইছে কেন্দ্ৰীয় কেবিনেটে। অসমীয়াৰ লগতে আজি মাৰাঠী, পালি, প্ৰাকৃত আৰু বাংলা ভাষাকো ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনায় কেন্দ্ৰীয় কেবিনেটে। শেষাংশ ৫ পৃষ্ঠাত

# হিমন্ত বিশ্ব চৰকাৰে ঠিকাদাৰক দিবলৈ আছে ৩৭ হাজাৰ কোটি

## বিলৰ কথা ক'লে প্ৰভাৱশালী ২ মন্ত্ৰীয়ে দিয়ে ভয়-ভাবুকি



■ নগাঁৱৰ কামপুৰত পথৰ দুৰৱস্থা

**ই-সংবাদ, ৩ অক্টোবৰঃ** প্ৰায় ৩৭ হাজাৰ কোটি টকা ঠিকাদাৰক প্ৰাপ্য ধন আদায় দিবলৈ আছে অসম চৰকাৰে। এই তথ্য প্ৰকাশ কৰিছে সদৌ অসম ঠিকাদাৰ সন্থাৰ একাংশ বিষয়া-কৰ্মচাৰীয়ে। সন্থাৰ সূত্ৰটোৰ অভিযোগ, জলজীৱন মিছনৰ কোনো বিল কাম সম্পূৰ্ণ হোৱাৰ পিছতো ঠিকাদাৰসকলে আদায় পোৱা নাই। জলসম্পদ বিভাগৰ লগতে চহৰ উন্নয়ন বিভাগ, লোকনিৰ্মাণ বিভাগ, আৰক্ষীৰ গৃহ নিৰ্মাণ বিভাগৰ হাজাৰ হাজাৰ কোটি টকা ঠিকাদাৰে বিল শেষাংশ ২ পৃষ্ঠাত

# ১৫ ইছলামিক ৰাষ্ট্ৰলৈ হালাল মাংস ৰপ্তানিৰ সিদ্ধান্ত মোদী চৰকাৰৰ



**নতুন দিল্লী, ৩ অক্টোবৰঃ** দেশত অব্যাহত থকা দীৰ্ঘদিনীয়া আভ্যন্তৰীণ বিতৰ্কৰ মাজতে এইবাৰ ১৫ খনকৈ দেশলৈ হালাল মাংস ৰপ্তানি কৰিবলৈ সাজু হৈছে ভাৰত চৰকাৰ। বৈদেশিক বাণিজ্য বিভাগে জাৰি কৰা এক অধিসূচনা অনুসৰি, অহা ১৬ অক্টোবৰৰ পৰা বিশ্বৰ ১৫ খন মুছলমান শেষাংশ ২ পৃষ্ঠাত

### ৰাহুল গান্ধীৰ 'মাষ্টাৰষ্ট্ৰোক'

## দুপৰীয়া পৰ্যন্ত বিজেপি! আবেলি হ'ল কংগ্ৰেছী



■ ব্যৱধান! দুপৰীয়া আৰু বিয়লিৰ ফটো

**চণ্ডীগড়, ৩ অক্টোবৰঃ** এয়াই ৰাজনীতি! এক বজালৈ বিজেপিৰ মঞ্চত বিজেপিৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছিল নেতাজনে। তিনি বজাত আকৌ শেষাংশ ৩ পৃষ্ঠাত

## অসমত লটাৰী বন্ধ কৰাৰ নিৰ্দেশ উচ্চ ন্যায়ালয়ৰ

**ই-সংবাদ, ৩ অক্টোবৰঃ** সৰু-বৰ চ'কত গাড়ীত মাইক লগাই লটাৰীৰ টিকট বিক্ৰী কৰি থকাটো অসমত এতিয়া সুলভ। ৰাজহুৱা স্থানত থিয় শেষাংশ ৩ পৃষ্ঠাত

### মৃত্যুক সাবতিলে এজনে

## মোদীৰ ৰাজ্যত অসমৰ তীৰ্থযাত্ৰীৰ লাগিল হাহাকাৰ

**ই-সংবাদ, বজালী, ৩ অক্টোবৰঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজ্যত আলৈ-আহুকাল নোহোৱা হৈছে অসমৰ ৪৮ তীৰ্থযাত্ৰীৰ। অথাই-সাগৰত পৰা শেষাংশ ৪ পৃষ্ঠাত

## কাৰাগাৰত এতিয়াহে বন্ধ হ'ব বৰ্ণ বৈষম্য!

**নতুন দিল্লী, ৩ অক্টোবৰঃ** কাৰাগাৰত বৰ্ণ বৈষম্য কৰা হয়। জাতি অনুসৰি কয়দীক কাৰাগাৰৰ ৱাৰ্ড আৱণ্টন দিয়া হয়। জাতি অনুসৰি কয়দীক কাম দিয়া হয়। কেবাখনো ৰাজ্যৰ কাৰাগাৰৰ শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব চৰকাৰে ঠিকাদাৰক দিবলৈ

আদায় নোপোৱাকৈ আছে। উল্লেখ্য যে, মুখ্যমন্ত্ৰী হৈয়েই হিমন্ত বিশ্ব শৰ্মাই অসমত নতুন ঠিকাদাৰ সৃষ্টি কৰা হ'ব বুলি বিশেষ ঘোষণা কৰিছিল। ৰাজ্যত ৫০ হাজাৰ নতুন ঠিকাদাৰ হ'ব বুলি ঘোষণা কৰিছিল যদিও বিজেপি চৰকাৰৰ দিনতে প্ৰথমে শ্ৰেণীৰ ঠিকাদাৰকে ধৰি সকলো প্ৰকাৰৰ ঠিকাদাৰৰ পঞ্জীয়নৰ মাচুল বৃদ্ধি কৰা হৈছিল। ফলত নতুনকৈ ঠিকাদাৰ সৃষ্টি কৰিব বুলি কৰা ঘোষণা ধোঁৱাচাঙত উঠিল। বিপৰীতে পূৰ্বৰ পৰা যিসকলে ঠিকা আৰু যোগানীয়াৰ হিচাপে কাম কৰি আহিছিল সেইসকলৰো অৱস্থা এতিয়া পানীত হাঁহ নচৰা সদৃশ হৈ পৰিছে। মাহৰ পিছত মাহ ধৰি বিল লাভ নকৰাৰ ফলতে এতিয়া প্ৰতিটো বিভাগৰে ঠিকাদাৰসকলৰ অৱস্থা পূজাৰ বতৰতো শোচনীয় হৈ পৰিছে। বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ এই বিষয়ে অৱগত কৰিও বিফল হৈছে ঠিকাদাৰসকল। বিষয়টোৰ গুৰুত্ব বুজি ব্যৱস্থা গ্ৰহণ কৰিবলৈ ক'লেও মন্ত্ৰীৰ ধমক খাবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে বুলিও কেবাগৰাকী ঠিকাদাৰে জানিবলৈ দিছে। ইফালে, গুৱাহাটী মহানগৰীৰ কদৰ্য্যময় অৱস্থা হৈ পৰাৰ আঁৰতো ঠিকাদাৰৰ বিল বুলি জানিব পৰা গৈছে। গুৱাহাটী মহানগৰীৰ ৭০ শতাংশ পথৰ এতিয়া পয়ালগা অৱস্থা। বহু ঠিকাদাৰে গুৱাহাটীৰ পথৰ নিৰ্মাণ তথা মেৰামতিৰ কাম কৰিব পৰা নাই বুলি অভিযোগ উঠিছে। ইতিমধ্যে বিল আদায়ৰ দাবী লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে ঠিকাদাৰ তথা যোগানীয়াৰ। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপা ঠিকাদাৰ তথা যোগানীয়াৰসকলে অনাদায় বিল আদায় দিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত ইতিমধ্যে ন্যায়ালয়ে ৰাজ্য চৰকাৰক জাবাবদিহি কৰিছে। জনস্বাস্থ্য কাৰিকৰী বিভাগ, জলসিঞ্চন বিভাগ, স্বাস্থ্য বিভাগ, জলসম্পদ বিভাগ, লোকনিৰ্মাণ বিভাগকে ধৰি আটাইকেইটা বিভাগৰ গৰিষ্ঠসংখ্যক ঠিকাদাৰে বিল পোৱা নাই। কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ পৰিয়ালৰ ঘনিষ্ঠ ঠিকাদাৰে বিল লাভ কৰি আহিছে। ন্যায়ালয়ে হাজাৰ হাজাৰ কোটি টকা বিল আদায় নিদিয়া বিষয়টোত লৈ ৰাজ্য চৰকাৰক ভৎৰ্সনা কৰিছে। কেৱল মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালৰ ঘনিষ্ঠ ঠিকাদাৰৰ বাহিৰে বাকী ঠিকাদাৰে বিল আদায় নোপোৱা বিষয়টোৱে অসমৰ থলুৱা ঠিকাদাৰসকলক সমস্যাত পেলাইছে। চৰকাৰৰ আৰ্শীবাদপুষ্ট কেইজনমান ঠিকাদাৰে ঠিকাও সময় মতে পাই আছে আৰু বিলো সময় মতে পাই আহিছে। বণিয়া প্ৰীতিত মছগুল চৰকাৰে বাকী ঠিকাদাৰসকলক বিল আদায় নিদি আৰ্থিকভাৱে নিঃশেষ কৰিব খোজা বুলি অভিযোগ উঠিছে। কেৱল গৃহ বিভাগৰ অধীনত লোক নিৰ্মাণ বিভাগত ঠিকা কৰা ঠিকাদাৰক ১২ হাজাৰ কোটি টকা আদায় দিয়া নাই হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। চৰকাৰে ঠিকাদাৰী ব্যৱস্থা ব্যায়বহুল কৰি ক্ষুদ্ৰ আৰু মজলীয়া ঠিকাদাৰক ঠিকাদাৰী প্ৰথাৰ পৰা বাহিৰ হৈ যাবলৈ বাধ্য কৰাইছে। নতুন ঠিকাদাৰ সৃষ্টি হোৱাৰ পৰিৱৰ্তে আৰ্নেষ্ট মানি, পঞ্জীয়ন মাচুল আদিৰ খৰছ বৃদ্ধি কৰাত বহু ঠিকাদাৰে নবীকৰণ নকৰাকৈ আছে। তাতেই আকৌ ৰাজ্য চৰকাৰে কেইবাশ ঠিকাদাৰক বিল আদায় দিয়া নাই। ইপিনে নিবিদাসমূহ পেকেজ আকাৰে কৰাৰ ফলত বহু ঠিকাদাৰে টকাৰ অভাৱত নিবিদাত অংশগ্ৰহণ কৰিব পৰা নাই। কেৱল ঠিকাই নহয়, বিভিন্ন ব্যক্তিবিশেষ তথা সংস্থাৰ পৰা গৃহ বিভাগে ভাড়া লোৱাৰ গাড়ীৰ ভাড়া আদায় দিয়া নাই। সকলো বিভাগৰ সৰু-বৰ ঠিকাদাৰৰ অনাদায় বিল মিলালে প্ৰায় ৩৭ হাজাৰ কোটি টকা ঠিকাদাৰ, যোগনীয়াৰক আদায় দিয়া নাই হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। কংগ্ৰেছ চৰকাৰৰ শেষ কাৰ্যকাল তথা বিজেপিৰ কাৰ্যকাল আৰম্ভ হোৱাৰ পৰাই এতিয়ালৈকে বিল নোপোৱা ঠিকাদাৰে বিভাগসমূহক কাকুতি-মিনতি কৰিছিল। প্ৰয়োজনত নিৰ্ধাৰিত পুঁজিতকৈ কমকৈ বিল ল'বলৈ মান্তি হৈছিল বুলিও জানিব পৰা যায়। কিন্তু অৱশেষত ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি আবেদন জনাই ঠিকাদাৰে। চৰকাৰৰ ঘনিষ্ঠ ঋষি গুপ্তাৰ দৰে ঠিকাদাৰে ঠিকাৰ বিলৰ বাবে অৱশেষত ন্যায়ালয়ৰ হস্তক্ষেপৰ আবেদন জনাইছে। ঠিকাদাৰৰ অনাদায় হাজাৰ হাজাৰ কোটি টকাৰ বিপৰীতে ৰাজ্য চৰকাৰে মাহেকত দুবাৰ পৰ্যন্ত ঋণ লৈ আহিছে। প্ৰতিমাহে ২ হেজাৰ কোটি টকা পৰ্যন্ত ঋণ লৈ হিতাধিকাৰীক ১৬ হাজাৰ কোটি টকা আদায় দিছে। এইখন চৰকাৰে সৰু-সৰু ঠিকাদাৰসকলৰ পেটত গোৰ মাৰি সৰু ঠিকাদাৰৰ বাবে নিবিদাকে বন্ধ কৰিছে। নিবিদা কেৱল পেকেজ আকাৰে কৰা হয়। ৫০ কোটি ১০০ কোটি টকাৰ পেকেজ কৰি নিবিদা আবেদন কৰা হয়। কিন্তু সৰু ঠিকাদাৰে পেকেজ নিবিদাত অংশগ্ৰহণ কৰিব নোৱাৰাৰ ফলতে বহু ঠিকাদাৰে ঠিকাদাৰী ব্যৱসায়ৰ পৰা আতৰি আহিছে। কিন্তু ৰাজ্যৰ একাংশ বণিয়া ঠিকাদাৰ আৰু বহিঃৰাজ্যৰ হাজাৰ হাজাৰ কোটি টকাৰ মালিক ঠিদাকাৰৰ এতিয়া অসমত ৰামৰাজ চলিছে। যিমান ডাঙৰ পেকেজ হওক সিমান ডাঙৰ পেকেজৰ নিবিদাত অংশ লোৱাই নহয়, ঠিকা লৈ দেখুৱাইছে বহিঃৰাজ্যৰ ঠিকাদাৰে। কেৱল চৰকাৰ তথা মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ ঠিকাদাৰ কেইজনমানৰ বাহিৰে বিল নোপোৱা ৰাজ্যৰ কেইবা হাজাৰ ঠিকাদাৰ এতিয়া অসহায় হৈ পৰিছে। বিত্তীয় ঘাটি, ঋণ লৈ চৰকাৰ চলাই থকা, হিতাধিকাৰীক মাহেকত একাউণ্টত টকা ভৰাই দিয়া চৰকাৰখনে ঠিকাদাৰক ধন আদায় দিব নোৱাৰা বিষয়টোক লৈ এতিয়া সৰ্বত্ৰ চৰ্চা হ'ব ধৰিছে। হিতাধিকাৰী বৃদ্ধি কৰি ভোটৰ ৰাজনীতি কৰা এইখন চৰকাৰৰ দিনত বিত্তীয় অৱস্থা যে লৰক-ফৰক হৈছে সেয়া খাটাং। এনে পৰিপ্ৰেক্ষিতত কথাৰ ফুলজাৰি মাৰি অহা এইখন চৰকাৰে থলুৱা ঠিকাদাৰৰ মৰ্মবেদনা উপলব্ধি কৰি পূজাৰ এই বতৰতে বিলসমূহ আদায় দিব নে নাই সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৫ ইছলামিক ৰাষ্ট্ৰলৈ হালাল মাংস

প্ৰধান দেশলৈ ৰপ্তানি কৰা হ'ব হালাল মাংস। ইফালে চৰকাৰৰ এই ঘোষণাৰ পিছতে দেশত পুনৰ এবাৰ হালাল মাংসক লৈ ৰাজনৈতিক বিতৰ্কৰ সূচনা হোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে, নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এক গুৰুত্বপূৰ্ণ নীতিগত পৰিৱৰ্তন কৰি ১৬ অক্টোবৰৰ পৰা ১৫খন মুছলমানপ্ৰধান দেশলৈ হালাল প্ৰমাণিত মাংস আৰু মাংসজাত সামগ্ৰী ৰপ্তানি আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। দেশৰ ভিতৰত হালাল মাংসক লৈ দীৰ্ঘদিন ধৰি চলি অহা বিতৰ্কৰ মাজত চৰকাৰৰ এই সিদ্ধান্ত অতি গুৰুত্বপূৰ্ণ বিবেচিত হৈছে। মন কৰিবলগীয়া যে, কিছু বছৰ পূৰ্বে হালালক লৈ সংবাদ মাধ্যমৰ বিতৰ্কই দেশজুৰি তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছিল। এতিয়া চৰকাৰী সিদ্ধান্তৰ পিছতে দেশত অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আশংকা কৰিছে একাংশই। বৰ্তমানৰ পৰিস্থিতিত ভাৰত চৰকাৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত হালাল সামগ্ৰীৰ ৰপ্তানি সক্ৰিয়ভাৱে বৃদ্ধিৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে। অন্যহাতে ডি জি এফ টিয়ে প্ৰকাশ কৰা নতুন নিৰ্দেশনাত হালাল মাংস ৰপ্তানিৰ চৰ্ত আৰু নিৰ্দেশনাৰ ৰূপৰেখা দাঙি ধৰা হৈছে। পণ্যসমূহ 'আই-কাছ হালাল' প্ৰমাণপত্ৰৰ অধীনত ৰপ্তানি কৰিব লাগিব, যিটো ভাৰতীয় মান পৰিষদে (কিউচিআই) তদাৰক কৰিব। এই প্ৰমাণপত্ৰৰ অধীনত সামগ্ৰীসমূহ ১৫খন নিৰ্দিষ্ট মুছলমান সংখ্যাগৰিষ্ঠ দেশলৈ প্ৰেৰণ কৰা হ'ব। ডি জি এফ টিয়ে হালাল মাংস ৰপ্তানিৰ বাবে চিনাক্ত কৰা ১৫খন দেশৰ ভিতৰত আছে বাহৰেইন, ইৰাণ, ইৰাক, কুৱেইট, মালয়েছিয়া, বাংলাদেশ, ইণ্ডোনেছিয়া, জৰ্ডান, ওমান, ফিলিপাইনছ, কাটাৰ, চৌদি আৰব, ছিংগাপুৰ, তুৰস্ক আৰু সংযুক্ত আৰব আমিৰাটৰ দৰে দেশ। এই দেশসমূহত মুছলমান জনসংখ্যা সৰ্বাধিক হোৱাৰ পৰিপ্ৰেক্ষিত হালাল মাংসৰ অধিক চাহিদাৰ বাবে হালাল সামগ্ৰীৰ বৃহৎ বজাৰ বুলি জনা যায়। ইফালে ডি জি এফ টিৰ অধিসূচনাত লগতে কোৱা হৈছে যে ৰপ্তানিৰ পিছত ৰপ্তানি কৰাসকলে সামগ্ৰী ক্ৰেতাৰ ওচৰ পোৱাৰ পিছত আই-কাছ হালাল প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব। এই নতুন নীতি পৰিৱৰ্তনে আন্তঃৰাষ্ট্ৰীয় বজাৰত ভাৰতীয় হালাল সামগ্ৰীৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। যদিও দেশত ৰাজনৈতিক বিতৰ্ক চলি আছে, তথাপিও ভাৰতীয় বজাৰত হালাল উদ্যোগৰ বৃদ্ধি অব্যাহত আছে। পৰিসংখ্যা অনুসৰি ২০২১ চনত বিশ্বৰ হালাল খাদ্যৰ বজাৰখন প্ৰায় ১৯৭৮ বিলিয়ন ডলাৰত উপনীত হৈছিল আৰু ২০২৭ চনৰ ভিতৰত ইয়াৰ বৃদ্ধি প্ৰায় দুগুণ হোৱাৰ সম্ভাৱনা আছে। উল্লেখ্য যে হালাল মাংসক লৈ বিজেপিশাসিত উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আদিৰ দৰে ৰাজ্যত বিগত সময়ছোৱাত একাধিক বিক্ষিপ্ত ঘটনা সংঘটিত হৈ আহিছিল। ইয়াৰ মাজতে এতিয়া কেন্দ্ৰীয় চৰকাৰে ইছলামিক ৰাষ্ট্ৰলৈ হালাল মাংস ৰপ্তানি কৰিবলৈ লোৱা সিদ্ধান্ত যথেষ্ট তাৎপৰ্যপূৰ্ণ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত লটাৰী বন্ধ কৰাৰ

দি থাকিলে দাদা টিকট এটা লওক। আল্ট্ৰা বাছ, বিএমডব্লিউ আছে। এনেকৈ খাটনি ধৰি বুজনি দিব যে আপোনাৰ কপালতহে আছে সেই বাছখন বা বিএমডব্লিউখন। এনেকৈ বুজনি দিয়ে যে টিকটটো ক্ৰয় কৰিলে আপুনিয়েই এটা পুৰস্কাৰ পাবই পাব। অসমত ঘটনাই নামঘৰ, মন্দিৰ, দুৰ্গা পূজা, ৰাস আদিৰ উদ্যোগত লটাৰী খেল অনুষ্ঠিত হয়। এনে লটাৰী খেল এক মুকলি জুৱা বুলি অভিযোগ উত্থাপন হৈ আহিছে। একোখন লটাৰীখেলত ১০ৰ পৰা ২০ কোটি টকালৈকে টিকট বিক্ৰী কৰা বুলি এটা পক্ষই দাবী কৰি আহিছে। বিশেষ এজেণ্টে নিয়োগ কৰি লক্ষ লক্ষ টিকট বিক্ৰী কৰা হয়। কিন্তু অসমৰ প্ৰায়সমূহ লটাৰীত কাৰচাজি কৰাৰ অভিযোগ আছে। বহু লটাৰীত পুৰস্কাৰ প্ৰাপ্তৰ নম্বৰৰ বিপৰীতে পুৰস্কাৰ নিবলৈ অহা মানুহ নোলায়। প্ৰথম পুৰস্কাৰ, দ্বিতীয় পুৰস্কাৰৰ নামত খামখেয়ালি কৰাৰো অভিযোগ আছে। লটাৰী তথা মুকলি জুৱাৰ বিৰুদ্ধে বিভিন্ন দল-সংগঠনে আপত্তি দৰ্শাই আহিছে। লটাৰী খেল বন্ধ কৰাৰ দাবী লৈ এক আবেদন দাখিল কৰা হৈছিল গুৱাহাটী উচ্চ ন্যায়ালয়ত। গুৱাহাটী উচ্চ ন্যায়ালয়ে বিষয়টোক গুৰুত্বসহকাৰে লৈ শুনানি অনুষ্ঠিত কৰে। বিলাসী গাড়ীৰ লোভ দি লটাৰীৰ টিকট বিক্ৰী কৰাসকলক গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে স্পষ্ট কৰে যে এতিয়াৰ পৰা লটাৰী খেল পাতিব নোৱাৰিব। ৰাজ্যত সকলোধৰণৰ লটাৰী নিষিদ্ধ ঘোষণা কৰে উচ্চ ন্যায়ালয়ে। সকলো জিলাৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক বিশেষ নিৰ্দেশ দি এসপ্তাহৰ ভিতৰত সকলো লটাৰী সমিতিৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ কয় ন্যায়ালয়ে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি কোনো কাৰণতে যাতে কোনেও অনলাইন অথবা অফলাইন লটাৰী খেল অনুষ্ঠিত কৰিব নোৱাৰে তাৰ ব্যৱস্থা গ্ৰহণৰ কঠোৰ নিৰ্দেশ দিয়ে ৰাজ্য প্ৰশাসনক। ন্যায়ালয়ৰ এই নিৰ্দেশক এতিয়া আদৰণি জনাইছে সচেতনমহলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চাকৰি হেৰুৱাব ১৭ আৰক্ষী

নিযুক্তি দিছিল। নিযুক্তি লাভ কৰিছিল ১১৫ জন বিষয়াই। ইয়াৰে ১৯গৰাকী বঞ্চিত প্ৰাৰ্থীয়ে চাকৰিৰ পৰা বঞ্চিত হৈছিল। অযোগ্য আৰু বক্ৰ পথেৰে ১৯ জন অযোগ্যক চাকৰি দিয়াৰ অভিযোগ আনিছিল বঞ্চিত ১৯ প্ৰাৰ্থীয়ে। বঞ্চিতসকলে ন্যায়ালয়ত লেখ আবেদন দাখিল কৰি ন্যায় দাবী কৰিছিল। অবৈধভাৱে চাকৰি লাভৰ অভিযোগ থকা ১৯গৰাকী আৰক্ষী পৰিদৰ্শক এতিয়া বিপদত পৰিছে। উচ্চতম ন্যায়ালয়ত লেখ আবেদন দাখিল কৰি ১৯ প্ৰাৰ্থীৰ হকে সিদ্ধান্ত লৈছে ৰাজ্য চৰকাৰে গঠন কৰা সমিতিয়ে। ২০১৪ চনত পুনৰ তালিকা প্ৰস্তুতৰ নিৰ্দেশ দিছিল আদালতে। ২০১৭ চনত চৰকাৰে গঠন কৰিছিল এখন বিশেষ সমিতি। এই সমিতিয়ে বাছি উলিয়াইছিল মুঠ ১৯গৰাকী অযোগ্য প্ৰাৰ্থী। ইয়াৰে ২গৰাকীক ইতিমধ্যে চাকৰিৰ পৰা বিদায় দিয়া হৈছে। আনহাতে বিশেষ সমিতিয়ে ১৭গৰাকীকো চাকৰিৰ পৰা অব্যাহতৰ নিৰ্দেশ দি অসম আৰক্ষীৰ উলুবাৰীস্থিতি কাৰ্যালয়ৰ দ্বাৰা গৃহ বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিছে। এতিয়ালৈ চৰকাৰে ব্যৱস্থা লোৱা নাই যদিও শীঘ্ৰে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। আৰক্ষী পৰিদৰ্শকসকল হৈছে চাহিদুৰ ৰহমান, ভাস্কৰ বৰ্মন, বদ্ৰীপ্ৰসাদ বাৰুৱতী, হেমেন শৰ্মা, ফাৰুক আহমেদ, অমৰ ঘোষ, নৱজিৎ তালুকদাৰ, কামাখ্যা মিশ্ৰ, আমিনুল ইছলাম, শশধৰ কলিতা, চৰিফুল ৰহমান, উদ্দীপ্ত কলিতা, নীলিমা বড়ো, ভনীতা দাস, ৰিংকুমণি কলিতা, টুইংকল গোস্বামী। ইতিমধ্যে অঞ্জন চৌধুৰী আৰু দিপাংকৰ শইকীয়াক চাকিৰ পৰা অব্যাহত দিয়া হৈছে। অচিৰেই চাকৰি হেৰুৱাবলগীয়া এই ১৭ জন আৰক্ষী পৰিদৰ্শকে অবৈধভাৱে নিৰ্বাচিত হৈছিল। ফলত যোগ্যসকল বঞ্চিত হৈছিল যদিও আদালতে দিয়া নিৰ্দেশৰ ফলত ন্যায় লাভ কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুপৰীয়া পৰ্যন্ত বিজেপি! আবেলি

কংগ্ৰেছৰ মঞ্চত কংগ্ৰেছৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱা দেখা গ'ল একেজন নেতাক। ৰাজনীতিত অসম্ভৱ বুলি একো নাই সেই কথা এশ শতাংশই প্ৰমাণ কৰিলে হাৰিয়ানাৰ এইজন নেতাই। নেতাৰ যে নীতি-আদৰ্শ নাই সেই কথা প্ৰমাণ কৰিলে নেতাজনে। নেতাজনৰ নাম হৈছে অশোক টানৱাৰ। হাৰিয়ানাৰ অন্যতম দলিত চেহেৰা অশোক টানৱাৰে আজি দিনৰ এক বজালৈ কংগ্ৰেছৰ হৈ প্ৰচাৰ চলাই আছিল। তাৰ পাছতে তিনি বজাত ৰাহুল গান্ধীৰ এখন সভাত দেখা যায়। তিনি বজাত ৰাহুল গান্ধীৰ উপস্থিতিত অনুষ্ঠিত এখন সভাত উপস্থিত হৈ টানৱাৰে কংগ্ৰেছত যোগদান কৰে। হাৰিয়ানাত ৫ অক্টোবৰত ভোট অনুষ্ঠিত হ'ব আৰু ৮ অক্টোবৰত ভোটগণনা কৰা হ'ব। আজি আছিল নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিন? নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত বিজেপিক মোক্ষম আঘাত লাগে। বিজেপিক আঘাত দি বিজেপিৰ অন্যতম দলিত চেহেৰা অশোক টানৱাৰে আজি কংগ্ৰেছত যোগদান কৰে। মহেন্দ্ৰগড়ত ৰাহুল গান্ধীৰ উপস্থিতিত অনুষ্ঠিত কংগ্ৰেছৰ জনসভাত পুনৰ যোগদান কৰে। এইগৰাকী টানৱাৰে লোকসভা নিৰ্বাচনত হাৰিয়ানাৰ চিৰছাৰ সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী আছিল। অশোক টানৱাৰে কংগ্ৰেছত যোগদান কৰি কয় যে আজিৰ দিনটোতে মই কংগ্ৰেছ এৰিছিলো। মই কংগ্ৰেছ এৰা ৫ বছৰ হ'ল। আজিৰ দিনটোতে মই কংগ্ৰেছলৈ প্ৰত্যাৱৰ্তন কৰিছো। কংগ্ৰেছ ত্যাগ কৰাৰ পাছতো মই কংগ্ৰেছৰ কেইবাজনো নেতাৰ সৈতে যোগাযোগ ৰাখিছিলো। অতীতত যি ঘটিছিল সেয়া ইতিহাস। অতীতবোৰ পাৰ হৈ গ'ল। মই আৰু সমগ্ৰ কংগ্ৰেছে এতিয়া হাৰিয়ানাক এক নম্বৰ ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত কাম কৰিম। টানৱাৰৰ প্ৰত্যাৱৰ্তনক বিজেপিৰ বাবে এক ডাঙৰ আঘাত হিচাপে দেখা গৈছে। বিজেপিয়ে কংগ্ৰেছৰ দলিত নেত্ৰী কুমাৰী শৈলজাক অপমান কৰাৰ অভিযোগ আনি বিজেপিত যোগদানৰ অফাৰ দিছিল। কংগ্ৰেছক দলিত বিৰোধী আখ্যা দি আক্ৰমণ কৰিছিল। উল্লেখ্য যে, লোকসভা নিৰ্বাচনত চেলজাৰ হাততে প্ৰায় তিনি লাখ ভোটত পৰাজিত হৈছিল টানৱাৰ। ইপিনে আজি দিনৰ এক বজালৈ চিৰছাত বিজেপিৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছিল টানৱাৰে। পূৰ্বে টানৱাৰ আছিল কংগ্ৰেছৰ প্ৰভাৱশালী যুৱ নেতা। ৰাহুল গান্ধীৰ ঘনিষ্ঠ বুলি আছিল। দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত অধ্যয়ন কৰা টানৱাৰে ২০০৩ চনৰ পৰা কংগ্ৰেছৰ ছাত্ৰ শাখা নেচনেল ষ্টুডেণ্টছ ইউনিয়ন অৱ ইণ্ডিয়াত সক্ৰিয় আছিল। ২০০৫ চনৰ পৰা পাঁচ বছৰৰ বাবে ভাৰতীয় যুৱ কংগ্ৰেছৰ সভাপতি আছিল। পত্নী অৱন্তিকাকো গান্ধী পৰিয়ালৰ ঘনিষ্ঠ। ২০০৯ চনৰ লোকসভা নিৰ্বাচনত কংগ্ৰেছে টানৱাৰক চিৰছাত প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল আৰু জয়ী হৈছিল। ২০১৪ চনৰ ফেব্ৰুৱাৰী মাহত কংগ্ৰেছে টানৱাৰক হাৰিয়ানা কংগ্ৰেছৰ সভাপতি নিযুক্তি দিয়ে। অৱশ্যে, হাৰিয়ানা কংগ্ৰেছৰ হেভিৱেট আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপিন্দৰ সিং হুডাৰ সৈতে সংঘাত লাগে। যদিও ৰাহুল গান্ধীৰ সৈতে টানৱাৰৰ ঘনিষ্ঠতাৰ বাবে তেওঁক আঁতৰাবলৈ কৰা প্ৰচেষ্টা বিফল হৈছিল। ২০১৯ চনৰ ছেপ্টেম্বৰত বিধানসভা নিৰ্বাচনৰ এমাহ পূৰ্বে তেতিয়াৰ কংগ্ৰেছ অধ্যক্ষ ছোনিয়া গান্ধীয়ে অৱশেষত টানৱাৰক আতৰাই কুমাৰী চেলজাক ৰাজ্যিক সভাপতি নিযুক্তি দিয়ে। সভাপতি পদ হেৰুৱাই টানৱাৰে সমৰ্থকসকলৰ সৈতে ছোনিয়া গান্ধীৰ নতুন দিল্লীৰ বাসগৃহৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰিছিল। ২০১৯ ৰ বিধানসভা নিৰ্বাচনত দুষ্মন্ত চৌটালাৰ জননায়ক জনতা পাৰ্টিক টানৱাৰে মুকলিকৈ সমৰ্থন জনাইছিল। পৰৱৰ্তী সময়ত নিৰ্বাচনৰ মাত্ৰ এপযেক পূৰ্বে কংগ্ৰেছৰ পৰা পদত্যাগ কৰে। ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰত মৰ্চা গঠন কৰিছিল যদিও পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ উপস্থিতিত তৃণমূল কংগ্ৰেছত যোগদান কৰে। ২০২২ চনৰ এপ্ৰিল মাহত টিএমচি ত্যাগ কৰি আম আদমী পাৰ্টিত যোগদান কৰে। ২০২৩ চনৰ জানুৱাৰীত নতুন দিল্লীৰ বিজেপি মুখ্য কাৰ্যালয়ত তদানীন্তন মুখ্যমন্ত্ৰী মনোহৰ লাল খট্টৰৰ উপস্থিতিত বিজেপিত যোগদান কৰিছিল। অশোক টানৱাৰৰ আজিৰ কাৰ্যক লৈ এতিয়া হাৰিয়ানাৰ লগতে সমগ্ৰ দেশতে চৰ্চা চলা দেখা গৈছে। লগতে কংগ্ৰেছ দলৰ ভিতৰচৰাত টানৱাৰৰ যোগদানক লৈ উছাহ দেখা গৈছে। বিপৰীতে বিজেপিৰ শিবিৰ যথেষ্ট নৰম হৈ পৰিছে। এনেদৰেই এতিয়া বিধানসভা নিৰ্বাচনক লৈ গৰম হৈ পৰিছে হাৰিয়ানাৰ ৰাজনীতি।

# এনডিটিভি আদানিক গতাবলৈ প্ৰণয় ৰয়ৰ বিৰুদ্ধে তৰিছিল ভুৱা গোচৰ!

## আদালতক তথ্য-প্ৰমাণ নাই বুলি জনালে চিবিআই-এ

**নতুন দিল্লী, ৩ অক্টোবৰঃ** এসময়ৰ মোদী বিৰোধী একমাত্ৰ নিউজ চেনেল এনডিটিভিৰ কণ্ঠ ৰুধিবলৈ তৎপৰ হৈ পৰিছিল চৰকাৰী সংস্থা। সেই সময়তে এটা ব্যক্তিগত অভিযোগৰ আধাৰত চিবিআইয়ে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছিল সংবাদ সংস্থা এনডিটিভি, সংস্থাটোৰ সহ-প্ৰতিষ্ঠাপক প্ৰণয় ৰায়, ৰাধিকা ৰায় আদিৰ বিৰুদ্ধে। ২০১৭ চনত দাখিল কৰা সেই গোচৰত তেওঁলোকৰ বিৰুদ্ধে আইচিআইচিআই বেংকৰ ৪৮ কোটিৰো অধিক টকাৰ লোকচান কৰাৰ অভিযোগ উত্থাপন হৈছিল। কিন্তু এতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ঘনিষ্ঠ পুঁজিপতি গৌতম আদানীৰ হাতত এসময়ৰ মোদী বিৰোধী চেনেলটোৰ চাবিকাঠি। একে সময়তে এই চেনেলটোৰ প্ৰাক্তন সহ-প্ৰতিষ্ঠাপক ৰায় দম্পতিৰ বিৰুদ্ধে সাত বছৰ পূৰ্বে ৰুজু কৰা গোচৰৰ ফাইল বন্ধ কৰিবলৈ বাধ্য হ'ল কেন্দ্ৰীয় তদন্তকাৰী সংস্থা। সূত্ৰ অনুসৰি, উপযুক্ত প্ৰমাণৰ অভাৱত এই গোচৰ বন্ধ কৰিবলগীয়া হয় চিবিআইয়ে। প্ৰণিধানযোগ্য যে, সাত বছৰ পূৰ্বে এই গোচৰটো আৰম্ভ কৰিছিল কোৱাণ্টাম ছিকিউৰিটিজৰ সঞ্জয় দত্ত নামৰ এজন ব্যক্তিয়ে। সেই অভিযোগৰ ভিত্তিত চিবিআইয়ে ৰায় দম্পতীহালৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিছিল আৰু ২০১৭ চনত দিল্লী আৰু



ডেৰাডুনত থকা তেওঁলোকৰ ঘৰত তালাচী চলাইছিল। সেই সময়ত বহু বিশেষজ্ঞ আৰু চিবিআইৰ প্ৰাক্তন বিষয়াই এই ঘটনাক লৈ প্ৰশ্ন উত্থাপন কৰিছিল। ইয়াৰ কাৰণ আছিল- সাধাৰণতে চিবিআইয়ে ব্যক্তিগত অভিযোগৰ ভিত্তিত তদন্ত আৰম্ভ নকৰে। লক্ষণীয় যে, ৰায় দম্পতী বা এনডিটিভিৰ বিৰুদ্ধে কোনো অভিযোগ দাখিল কৰা নাছিল খোদ আইচিআইচিআই বেংকে। এনে পৰিপ্ৰেক্ষিততে মাত্ৰ এজন ব্যক্তিৰ অভিযোগৰ ভিত্তিত চিবিআইয়ে ৰুজু কৰা গোচৰক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল সাংবাদিক আৰু বিৰোধী দলসমূহে। একাংশই এয়া সংবাদ মাধ্যমৰ স্বাধীনতাৰ ওপৰত আক্ৰমণ বুলি অভিহিত কৰিও তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। কিন্তু প্ৰণয় ৰায় আৰু ৰাধিকা ৰায়ক ২০২২ চনলৈ চিবিআইয়ে চমন কৰি এই গোচৰত জেৰা চলায়। এই সময়ছোৱাতে এনডিটিভিৰ মালিকীস্বত্ব ক্ৰয় কৰে মোদীৰ বন্ধু আদানীয়ে। ইফালে চিবিআইৰ তদন্তত অন্তৰ্ভুক্ত কৰা হৈছিল ২০০৯ চনত বিশ্বপ্ৰধান কমাৰ্চিয়েল প্ৰাইভেট লিমিটেড (ভিচিপিএল)ৰ পৰা এনডিটিভি আৰু ৰায় দম্পতীয়ে লোৱা ঋণো। চিবিআইয়ে অভিযোগ কৰে যে এই ঋণৰ সহায়ত আইচিআইচিআই বেংকৰ পূৰ্বৰ ঋণ পৰিশোধ কৰা হৈছিল, যাৰ ফলত বেংকটোৰ প্ৰায় ৪৮ কোটি টকা লোকচান হৈছিল। অৱশ্যে চিবিআইৰ এই পদক্ষেপৰ পিছত এনডিটিভিয়ে এক বিবৃতিত কয় যে তেওঁলোকক আৰু নিউজ সংস্থাটোৰ প্ৰতিষ্ঠাপকসকলক ভিত্তিহীন আৰু পুৰণি অভিযোগেৰে পদ্ধতিগতভাৱে হাৰাশাস্তি কৰা হৈছে। আদানীৰ অধিগ্ৰহণৰ পূৰ্বে এনডিটিভিয়ে এই সমগ্ৰ ঘটনা সন্দৰ্ভত এক বিবৃতি জাৰি কৰি কৈছিল, "আমি আমাৰ স্বাধীনতা আৰু গণতন্ত্ৰৰ বাবে যুঁজি যাম। আমি কোনো ধৰণৰ হেঁচাৰ সন্মুখত নতমস্তক নহও।" কিন্তু এসময়ৰ শাসকীয় বিজেপিৰ বিৰুদ্ধে থিয় দি দেশৰ একমাত্ৰ নিৰপেক্ষ সংবাদ সংস্থা হিচাপে পৰিগণিত হোৱা এনডিটিভি এতিয়া আন আন ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ দৰেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ গুণানুকীৰ্ত্তনত ব্ৰতী হৈ পৰা পৰিলক্ষিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

## মোদীৰ ৰাজ্যত অসমৰ তীৰ্থযাত্ৰীৰ

তীৰ্থযাত্ৰীক গুজৰাট প্ৰশাসনে অৱহেলা কৰাৰ অভিযোগ উঠিছে। লগতে অসম চৰকাৰে তীৰ্থযাত্ৰীসকলক অসমলৈ উভতাই আনিবলৈ বিশেষ পদক্ষেপ নোলোৱাৰ অভিযোগ উঠিছে। মুঠতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজ্যত হাহাকাৰ কৰি সময় পাৰ কৰিছে অসমৰ তীৰ্থ ভ্ৰমণকাৰী বয়োজ্যেষ্ঠ লোকৰ এটা দল। কিন্তু অসম চৰকাৰ আৰু গুজৰাট চৰকাৰে অসুস্থ তীৰ্থযাত্ৰীক গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। গুজৰাটত আবদ্ধ অসমৰ তীৰ্থযাত্ৰী আছিল ৪৯ জন। ইয়াৰে এজন তীৰ্থযাত্ৰীয়ে প্ৰাণ হেৰুৱাইছে। জানিব পৰা মতে, গুজৰাটৰ দ্বাৰকা ৰে'ল ষ্টেচনৰ ভাৰত সেৱাশ্ৰমত অসমৰ ৩৬ যাত্ৰীয়ে আশ্ৰয় হৈ আছে। ইতিমধ্যে এজন তীৰ্থযাত্ৰীৰ মৃত্যু হৈছে আৰু ১২ যাত্ৰী অসুস্থ। জানিব পৰা মতে, অসমৰ বজালী আৰু বাক্সা জিলাৰ পৰা ভাৰত ভ্ৰমণলৈ গৈছিল ৪৯ গৰাকী তীৰ্থযাত্ৰী। ৰেল'যোগে গুজৰাট পোৱাত ১৩ তীৰ্থযাত্ৰী অসুস্থ হয়। অসুস্থ তীৰ্থযাত্ৰীয়ে গুজৰাটৰ দ্বাৰকা ৰে'ল ষ্টেচনৰ ভাৰত সেৱাশ্ৰমত আশ্ৰয় লয়। সেই সময়তে ইয়াৰে এজন তীৰ্থযাত্ৰী মৃত্যুমুখত পৰে। মৃত তীৰ্থযাত্ৰীজন বজালীৰ মাণিকপুৰ চৈবাৰীৰ উদ্ধৱ দাস বুলি জানিব পৰা গৈছে। উদ্ধৱ দাসৰ আকস্মিক মৃত্যুৰ পিছতো বাকী ১২ তীৰ্থযাত্ৰী বিশেষ সহায় তথা চিকিৎসা নোপোৱাত হাহাকাৰ কৰিবলগীয়া হৈছিল। মহাসংকটত পৰা তীৰ্থযাত্ৰীসকলে সহায় বিচাৰি মুখ্যমন্ত্ৰীক কাতৰ আহ্বান জনোৱাও পৰিলক্ষিত হৈছিল। খবৰ মতে, ২৩ ছেপ্টেম্বৰত বজালী আৰু বাক্সা জিলাৰ তীৰ্থযাত্ৰীসকলে ৰঙিয়াৰ পৰা ৰে'লযোগে গুজৰাটলৈ গৈছিল। ২৮ ছেপ্টেম্বৰত গুজৰাটৰ দ্বাৰকাত উপস্থিত হোৱাৰ পাছতে ইজনৰ পাছত সিজন তীৰ্থযাত্ৰী অসুস্থ হয়। পৰ্যাপ্ত চিকিৎসাৰ অভাৱত হাহাকাৰ লাগে। বহু পলমকৈ অসম চৰকাৰৰ আহ্বানত তীৰ্থযাত্ৰীসকলক গুজৰাট চৰকাৰে সহায়ৰ আশ্বাস দিয়ে বুলি জানিব পৰা গৈছে। অসমৰ দুই মন্ত্ৰীয়ে ফোনযোগে সহায় বিচৰাৰ পাছতহে গুজৰাট প্ৰশাসন সাৰ পায় আৰু দ্বাৰকাৰ ভাৰত সেৱাশ্ৰম সংঘত আবদ্ধ তীৰ্থযাত্ৰীসকলক চিকিৎসালয়ত ভৰ্তি কৰায়। প্ৰথমাৱস্থাত কিন্তু অসম চৰকাৰৰ আহ্বানক গুজৰাট চৰকাৰে তিলমানো গুৰুত্বসহকাৰে লোৱা নাছিল। গুজৰাটৰ দেৱভূমি দ্বুপাৰ স্পেচিয়েলিটি হাস্পতালত চিকিৎসাধীন হৈ থকা দুই যাত্ৰীক ধনৰ অভাৱৰ বাবে চিকিৎসালয় কৰ্তৃপক্ষই উলিয়াই দিয়াৰো অভিযোগ উঠিছে। অৱশেষত চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰাই অসুস্থসকলক। জামনগৰৰ চিকিৎসালয়ত ৮ তীৰ্থযাত্ৰী চিকিৎসাধীন হৈ আছে যদিও এজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। ইপিনে পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ৰণজিৎ কুমাৰ দাসে বহু পলমকৈ অসুস্থ তীৰ্থযাত্ৰীসকলৰ খবৰ লৈ ডায়েৰীয়াত আক্ৰান্ত হোৱা বুলি কয়। গুজৰাটৰ স্থানীয় প্ৰশাসনৰ সৈতে যোগাযোগ কৰাত ৯ তীৰ্থযাত্ৰীক জামনগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় বুলি জানিবলৈ দিয়ে ৰণজিৎ কুমাৰ দাসে। বাক্সা জিলাৰ চৰাইমাৰীৰ হীৰেণ কলিতা বৰ্তমানেও সুস্থ হৈ উঠা নাই। বজালীৰ পিপলাৰ অলকা কলিতা, পুঠিমাৰীৰ কুসুমী তালুকদাৰ আৰু বাক্সাৰ সুবনশ্ৰীৰ অঞ্জনা ডেকাৰ, চৰাইমাৰীৰ নীলিমা ডেকা, লাৱণ্য দাস, হীৰেণ দাস আৰু প্ৰেমদা কলিতা সুস্থ হৈ উঠা বুলি কয় মন্ত্ৰী দাসে। দ্বাৰকা আৰক্ষীৰ পৰিদৰ্শকৰ সৈতে আলোচনা কৰি অসুস্থসকলক চিকিৎসা কৰাৰ লগতে উদ্ধৱ দাসৰ নশ্বৰ দেহ প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছে বুলিও কয় দাসে। তীৰ্থযাত্ৰীৰ দলটোৱে বহিঃৰাজ্যৰ বিপদৰ সময়ত অসম চৰকাৰৰ যেনেদৰে সহায় পাব লাগিছিল তেনেদৰে সহায় নোপোৱাৰ বিষয়টোৱে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমীয়া, বাংলাসহ ৫টা ভাষাই

প্ৰতিগৰাকী অসমীয়াৰ বাবে গৌৰৱপূৰ্ণ এই খবৰ সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ছ'চিয়েল মিডিয়াত এই ভাল খবৰ শ্বেয়াৰ কৰি লিখিছে, "প্ৰতিগৰাকী অসমীয়াৰ বাবে এক ঐতিহাসিক ক্ষণ! শ শ বছৰৰ ঐতিহ্যৰে পৰিপূৰ্ণ স্বকীয় অসমীয়া ভাষালৈ আজিৰ কেন্দ্ৰীয় কেবিনেটত ধ্ৰুপদী ভাষা (Classical Language)ৰ মৰ্যাদা প্ৰদানত অনুমোদন।" প্ৰণিধানযোগ্য যে, ইয়াৰ পূৰ্বে ভাৰতৰ মাত্ৰ ছয়টা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছে। এই ভাষাসমূহ হৈছে ক্ৰমে তামিল, সংস্কৃত, কানাড়া, তেলেগু, মালয়ালম আৰু ওড়িয়া। ইয়াৰ পিছতে আজি অসমীয়াৰ লগতে মুঠ ৫টা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনায় কেন্দ্ৰীয় কেবিনেটে। মন কৰিবলগীয়া যে, ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ এটা ভাষা ১৫০০-২০০০ বছৰ পুৰণি হোৱাৰ লগতে এই ভাষাটোৰ প্ৰাচীন লিখিত ইতিহাস থকাটো নিতান্তই প্ৰয়োজন। ইফালে, মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ লগতে ২০২৬ চনত অসম আৰু পশ্চিমবংগত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি মোদী কেবিনেটে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলিও চৰ্চা চলিছে। বিশেষকৈ মহাৰাষ্ট্ৰৰ মাৰাঠী ভাষা, পশ্চিমবংগত বাংলা ভাষা আৰু অসমত অসমীয়া ভাষাক এই মৰ্যাদা প্ৰদানৰ ফলত ৰাজ্যকেইখনত বিজেপিয়ে নিৰ্বাচনী পৰিৱেশ নিজৰ ফলীয়া কৰাত সুবিধা হ'ব বুলি আলোচনা হৈছে। অসমত এনে আলোচনাই বেছি গুৰুত্ব নাপালেও মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগত উক্ত সিদ্ধান্তক লৈ ৰাজনৈতিক মহলত তেনে চৰ্চাই চলা পৰিলক্ষিত হৈছে। উল্লেখ্য যে, ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ লগে লগে অসমীয়া ভাষাই কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা প্ৰচাৰ-প্ৰসাৰ তথা ভাষাটোৰ সৈতে জড়িত ভাষিক-সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে অধিক বিত্তীয় অনুদান লাভ কৰাৰ পথ সুগম হৈ পৰিব। শিক্ষাৰ ক্ষেত্ৰতো বিভিন্ন সুবিধা উপলব্ধ হ'ব আৰু বিভিন্ন আন্তৰ্জাতিক স্বীকৃতি লাভৰ পথো সুগম হৈ পৰিব। সেয়ে আইৰ মুখৰ এই ভাষাটিক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত অনুমোদন জনোৱাক লৈ উল্লাসিত হৈ পৰিছে অসমীয়া। ছ'চিয়েল মিডিয়াত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে লিখিছে, ".. এয়া সঁচাকৈয়ে এক আনন্দৰ বতৰা, এক দীৰ্ঘদিনীয়া প্ৰতীক্ষাৰ অন্ত। চিৰ চেনেহী ভাষা জননীৰ এই মৰ্যাদাপ্ৰাপ্তিৰ যাত্ৰাত উল্লেখযোগ্য অৰিহণা যোগোৱা প্ৰতিগৰাকী ব্যক্তিকেই ধন্যবাদ জনাইছোঁ। আজিৰ এই ঐতিহাসিক পদক্ষেপৰ বাবে অসমবাসীৰ হৈ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এইছেগতে মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়া, মাননীয় কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী শ্ৰী গজেন্দ্ৰ সিং শ্বেখাৱট ডাঙৰীয়া আৰু মাননীয় কেন্দ্ৰীয় শিক্ষামন্ত্ৰী শ্ৰী ধৰ্মেন্দ্ৰ প্ৰধান ডাঙৰীয়াকো তেওঁলোকৰ সক্ৰিয় ভূমিকাৰ বাবে ধন্যবাদ জনাইছোঁ। তদুপৰি, মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰৰ ভূমিকাৰো শলাগ লৈছোঁ।" ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত লিখিছে, "এক বিৰল প্ৰাপ্তি। প্ৰাণৰ 'অসমীয়া ভাষা'টিলৈ ধ্ৰুপদী ভাষাৰ মৰ্যাদা-কথাটিয়েই মনটো ভৰাই তুলিছে। হয়তো একে অনুভৱেৰে আপুনিও মহীয়ান হৈছে। অসমীয়া ভাষাটিক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ ঐতিহাসিক সিদ্ধান্তৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰক অসমবাসীৰ হৈ অযুত কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই মৰ্যাদাই আমাৰ প্ৰাচীন ভাষাটিক এক নান্দনিক অলংকাৰ পিন্ধালে। প্ৰাচীন কামৰূপ তথা বৰ অসমৰ সভ্যতা-সংস্কৃতিৰ এই শিপাডালে আমাক আজি পুনৰবাৰ সমৃদ্ধ কৰিলে। আজিৰ এই ঐতিহাসিক সিদ্ধান্তৰ দ্বাৰা আমি আমাৰ প্ৰিয় মাতৃভাষাটিক জগত সভালৈ লৈ যাবলৈ সক্ষম হ'ম, ভাষাটিক সংৰক্ষণৰ দিশত আমি আটায়ে নিশ্চিতভাৱে অধিক দায়বদ্ধ হ'ম। এই সন্মান আমাৰ বৈচিত্ৰ্যৰ মাজত এক হৈ থকা সমাজখনলৈ; এই সন্মান অসমৰ মহাপুৰুষ, চিন্তাবিদ, সাহিত্যিক, দাৰ্শনিক, প্ৰজ্ঞাৰ সাধক তথা অসমৰ সৰ্বস্তৰৰ জনসাধাৰণলৈ। অসমীয়া ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে প্ৰজন্মৰ পৰা প্ৰজন্মলৈ যিসকলে ত্যাগ কৰি গৈছে শতসহস্ৰ প্ৰণিপাত তেখেতসকললৈ। সঁচাকৈয়ে আজি মোৰ জীৱনৰ অন্যতম এটি সুখৰ দিন। জয় আই অসম।" আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অসমবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এক্সত তেওঁ লিখিছে, "কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন পোৱাৰ পিছত অসমীয়াই এতিয়া ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাত মই অতিশয় আনন্দিত হৈছোঁ। অসমীয়া সংস্কৃতিয়ে যুগ যুগ ধৰি উজ্বলি উঠিছে আৰু আমাক এক চহকী সাহিত্যিক পৰম্পৰা প্ৰদান কৰিছে। আগন্তুক সময়ত এই ভাষা আৰু অধিক জনপ্ৰিয় হৈ পৰক। সকলোকে মই অভিনন্দন জনালো।" স্মৰ্তব্য যে দীৰ্ঘদিন ধৰি অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ দাবী জনাই অহা হৈছিল। ২০২১ চনৰ ১৯ মাৰ্চত অসম সাহিত্য সভাৰ তেতিয়াৰ সভাপতি কুল শইকীয়াৰ নেতৃত্বত আনুষ্ঠানিকভাৱে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত এই দাবীৰে ৩৯১ পৃষ্ঠাৰ প্ৰতিবেদন দাখিল কৰা হৈছিল। অসম সাহিত্য সভাই ইউনিকডৰ স্বীকৃতিৰ বাবেও আন্তৰ্জাতিক পৰ্যায়ত দাবী উত্থাপন কৰি আহিছে। এতিয়া ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ তৰফৰ পৰা ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পৰিপ্ৰেক্ষিতত তেনে কামবোৰ যথেষ্ট উজু হৈ পৰিব বুলি আশা কৰিব পাৰি। ইফালে, ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ খবৰ প্ৰকাশ পোৱাৰ পিছতে অসমত নেটিজেনসকলৰ মাজত আনন্দ-উল্লাস দেখা গৈছে। বিভিন্ন দল-সংগঠনেও ইয়াক আদৰণি জনাইছে আৰু এতিয়াৰে পৰা অসমীয়া ভাষা আৰু শক্তিশালী হৈ পৰিব বুলি আশা প্ৰকাশ কৰিছে। একাংশ সচেতন লোকে এতিয়া চৰকাৰক অসমীয়া ভাষাৰ প্ৰচলন আৰু প্ৰসাৰৰ ক্ষেত্ৰত স্কুল পৰ্যায়ৰ পৰাই গুৰুত্ব দিবলৈকো আহ্বান জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাৰাগাৰত এতিয়াহে বন্ধ

মেনুৱেলত বৈষম্যমূলক ব্যৱস্থা থকাৰ অভিযোগ উত্থাপন কৰা হৈছিল। এই বৈষম্য সমাপ্ত কৰাৰ আৰ্জি লৈ উচ্চতম ন্যায়ালয়ত কাষ চাপিছিল মহাৰাষ্ট্ৰৰ কল্যাণৰ বাসিন্দা সুকন্যা শান্তা। জাতি-আধাৰিত বৈষম্য, কাৰাগাৰৰ ভিতৰত জাতি-আধাৰিত কাম দিয়া আৰু বন্দীসকলক জাতি অনুসৰি পৃথক ৱাৰ্ডত ৰখা হয়। আজি আদালতে ৰায় প্ৰদান কৰি কয় যে কাৰাগাৰৰ মেনুৱেলত থকা বৈষম্যমূলক ব্যৱস্থাসমূহ সমাপ্তি কৰক। এই ব্যৱস্থাবোৰে মূলতঃ কাৰাগাৰৰ ভিতৰত জাতি-আধাৰিত কামৰ দায়িত্ব বাধ্যতামূলক কৰা হৈছে। যিহেতু ৰন্ধন প্ৰণালী উচ্চ বৰ্ণৰ দ্বাৰা আৰু নিম্ন বৰ্ণৰ দ্বাৰা পৰিষ্কাৰ কৰাৰ কাম কৰা হয়। কাৰাগাৰৰ মেনুৱেলত এইধৰণৰ ব্যৱস্থা বিদ্যমান আছিল যদিও আদালতে এই ব্যৱস্থা বাতিলৰ নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ে ১১ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰক কাৰাগাৰৰ মেনুৱেলৰ বৈষম্যমূলক ব্যৱস্থাসমূহ আতৰাবলৈ কয়। য'ত জাতি-আধাৰিত বৈষম্য, কাম বিতৰণ আৰু বন্দীসকলক তেওঁলোকৰ জাতি অনুসৰি পৃথক ৱাৰ্ডত ৰখাৰ নিয়মো আছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত এখন বিচাৰপীঠে কাৰাগাৰত জাতি-ভিত্তিক বৈষম্য বন্ধ কৰিবলৈ কেইবাটাও নিৰ্দেশনা জাৰি কৰিছে। আদালতে কয় যে ৰাজ্যৰ মেনুৱেল অনুসৰি কাৰাগাৰত নিম্ন শ্ৰেণীৰ তথা অনুসূচিত জাতি-জনজাতিৰ বন্দীসকলৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ কৰিবলৈ জাতি এক ভিত্তি হ'ব নোৱাৰে। এনে ধৰণৰ প্ৰথাৰ অনুমতি দিব নোৱাৰি। বন্দীসকলক বিপদজনক পৰিস্থিতিত নৰ্দমা টেংক পৰিষ্কাৰ কৰাৰ অনুমতি দিয়া নহ'ব। জাতি-আধাৰিত বৈষম্যৰ ঘটনাৰ মোকাবিলা কৰিবলৈ আৰক্ষীয়ে সঠিক আৰু আন্তৰিকতাৰে কাম কৰিব লাগিব বুলি নিৰ্দেশ দিয়ে আদালতে বিচাৰপীঠে কয় যে কিছু শ্ৰেণীৰ বন্দীসকলৰ কাৰাগাৰত কামৰ ন্যায্য বিতৰণ পোৱাৰ অধিকাৰ থাকিব। শীৰ্ষ আদালতে আপত্তিজনক নিয়ম আঁতৰাই ৰাজ্যসমূহক তিনি মাহৰ ভিতৰত সংশোধন কৰিবলৈ নিৰ্দেশ দিয়ে। ন্যায়ালয়ে ইয়াকো কয় যে এটা নিৰ্দিষ্ট জাতিৰ পৰা চুইপাৰ বাছনি কৰাটো গুৰুত্বপূৰ্ণ সমতাৰ বিৰোধী। শীৰ্ষ ন্যায়ালয়ে এই বছৰৰ জানুৱাৰীত মহাৰাষ্ট্ৰৰ কল্যাণৰ বাসিন্দা সুকন্যা শান্তাৰ দ্বাৰা দাখিল কৰা আবেদনৰ ওপৰত উত্তৰপ্ৰদেশ আৰু পশ্চিমবংগকে ধৰি কেন্দ্ৰ আৰু ১১ খন ৰাজ্যৰ পৰা উত্তৰ বিচাৰিছিল। ৰাজ্যবোৰৰ কাৰাগাৰৰ মেনুৱেল তেওঁলোকৰ কাৰাগাৰৰ ভিতৰত কামৰ আৱণ্টনত বৈষম্য কৰে আৰু বন্দীসকলক জাতিৰ ভিত্তিত ৱাৰ্ড নিৰ্ধাৰণ হয়। আবেদনখনত কেৰালা কাৰাগাৰৰ নিয়মৰ কথা উল্লেখ কৰা হৈছিল। য'ত দোষী সাব্যস্ত হোৱা দোষীৰ মাজত পাৰ্থক্য ৰাখিছিল। ইফালে ন্যায়ালয়ৰ এই ৰায়ক আদৰণি জনাইছে দেশৰ ভিন্ন প্ৰান্তৰ একাধিক দলং-সংগঠনে।

# বড়োলেণ্ড বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত

**ই-সংবাদ, কোকৰাঝাৰ, ৩ অক্টোবৰঃ** বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগে Challenging Precarity Network and ICCR-NERCৰ সহযোগত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে “Living With Precarity: Literature in Context in the 21st Century" শীৰ্ষক বিষয়বস্তুৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ আয়োজন কৰিছে। আলোচনা চক্ৰখনত সৰ্বমুঠ ৫৪খন শৈক্ষিক গৱেষণা পত্ৰ অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমেৰে উপস্থাপন কৰা হয়। এক ভিন্নৰূপী দৃষ্টিভংগী আৰু গভীৰ বিশ্লেষণ নিশ্চিত কৰাৰ উদ্দেশ্যেৰে এশৰো অধিক সংক্ষিপ্ত-সাৰৰ পৰা উক্ত গৱেষণা পত্ৰসমূহ নিৰ্বাচিত কৰা হৈছিল। গৱেষকসকলে অনিশ্চিত পৰিস্থিতিত জীৱন নিৰ্বাহৰ ধাৰণাটোক, বিভিন্ন ধৰণৰ সাহিত্য আৰু সাংস্কৃতিক অধ্যয়নত কেনেকৈ চিত্ৰিত আৰু সম্বোধন কৰা হৈছে, সেই সম্পৰ্কে বিশদভাৱে আলোচনা কৰে। আলোচনা চক্ৰখনত তুৰস্কৰ আংকাৰাৰ Middle East Technical Universityৰ অধ্যাপক নুৰটেন বাৰ্লিক আৰু আটাবেৰ্ক চেটিংকায়াই অনিশ্চিয়তাৰ ওপৰত নিজৰ অন্তৰ্দৃষ্টি উপস্থাপন কৰে। কেইবাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত উদ্বোধন কৰা আলোচনা চক্ৰখনত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক বি.এল. আহুজা, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধনপতি ডেকা, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ সুবুং বসুমতাৰী আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ড০ সুভাষ চন্দ্ৰ দাসে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও নয়দাস্থিত বেনেট বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ সহযোগী অধ্যাপক ড° ওম প্ৰকাশ দ্বিবেদী, উত্তৰ বংগ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° বিনায়ক ৰায়, গুজৰাটৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ড° ধনঞ্জয় ৰায়, আৰু দক্ষিণ আফ্ৰিকাৰ ডাৰবান ইউনিভাৰ্চিটি অৱ টেকন'লজিৰ সহযোগী গৱেষক ডঃ গৌতম কৰ্মকাৰে আলোচিত বিষয়বস্তু সম্পৰ্কে তত্বগধুৰ পৰ্যালোচনা কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ডলিকাজ্যোতি শৰ্মা আৰু ড° ধূৰ্জ্জটি শৰ্মাই অনিশ্চিত পৰিস্থিতিৰ বহুমুখী প্ৰকৃতিৰ ওপৰত তেওঁলোকৰ মতামত ব্যক্ত কৰাৰ লগতে উক্ত বিষয়ক সমাজ আৰু সাহিত্যিক প্ৰেক্ষাপটৰ সৈতে সংযোগ কৰাৰ সম্পৰ্কেও মত বিনিময় কৰে।

# কংগ্ৰেছৰ অতিথি হ'ব আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামা!

## অহা ডিচেম্বৰ মাহত অনুষ্ঠিত হ'ব এই বৈঠক

**বাংগালুৰু, ৩ অক্টোবৰঃ** চৰকাৰী অনুষ্ঠান নহয়, শীঘ্ৰে বিৰোধী দল কংগ্ৰেছৰ এক কাৰ্যসূচীৰ বিশেষ অতিথি হ'ব পাৰে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামা। চৰ্চা অনুসৰি, জাতিৰ পিতা মহাত্মা গান্ধীৰ কংগ্ৰেছৰ অধ্যক্ষ হিচাপে শতবৰ্ষ স্মৰণ অনুষ্ঠানত উপস্থিত থাকিব পাৰে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকী। উল্লেখ্য যে, অহা ডিচেম্বৰ মাহত কংগ্ৰেছ শাসিত ৰাজ্য কৰ্ণাটকৰ বেলগাভিত অনুষ্ঠিত হ'ব জাতীয় কংগ্ৰেছৰ বিশেষ অধিৱেশনখনি। সংবাদ সংস্থা পিটিআইৰ এক প্ৰতিবেদন অনুসৰি, এই অধিৱেশনতে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক ওবামাক আমন্ত্ৰিত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে কৰ্ণাটক কংগ্ৰেছে। প্ৰণিধানযোগ্য যে, কংগ্ৰেছৰ ইতিহাস অনুসৰি, মহাত্মা গান্ধী মাত্ৰ এবাৰহে সৰ্বভাৰতীয় কংগ্ৰেছৰ অধ্যক্ষ হিচাৱে দায়িত্ব গ্ৰহণ কৰিছিল। ১৯২৪ চনত বেলগাভিত অনুষ্ঠিত হোৱা দলটোৰ ৩৯ সংখ্যক সৰ্বভাৰতীয় অধিৱেশনত এই পদত অধিষ্ঠিত হৈছিল গান্ধী। এই ঘটনাৰ এশ বছৰ পূৰ্ণ হোৱাৰ স্মৃতিত পুনৰ বেলগাভিত কংগ্ৰেছে অধিৱেশন অনুষ্ঠিত কৰাৰ মনস্থ কৰিছে। কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী তথা ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ডি কে শিৱকুমাৰে প্ৰকাশ কৰা মতে, ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া এই অধিৱেশনলৈ বাৰাক ওবামাক আমন্ত্ৰণ জনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। তেওঁ এই সন্দৰ্ভত কয়, "মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়াৰ নেতৃত্বত কাৰ্যসূচীৰ আয়োজক সমিতিয়ে এই প্ৰস্তাৱত অনুমোদন জনাইছে। ২৫ ডিচেম্বৰৰ অনুষ্ঠানটোক স্মৰণীয় কৰি তুলিবলৈ আমি ওবামাৰ দৰে বিশ্ব নেতাক আমন্ত্ৰণ জনাব বিচাৰিছো।”



# শূৰ পোকে উদং কৰিছে পথাৰ! শিৱসাগৰত খেতিয়কৰ মাজত হাঁহাকাৰ

**ই-সংবাদ, শিৱসাগৰ, ৩ অক্টোবৰঃ** এতিয়া আহিন মাহ। সঁজাল ধৰা ধানত গেঁৰ ধৰা সময়। উৰ্বৰা পথাৰ সেউজীয়া হৈ পৰাৰ সময়। চহা কৃষকৰ সোণগুটিৰ সপোনে পোখা মেলাৰ সময়। পিছে শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ মৌজাৰ পানবেছা, বেতবাৰী মৌজাৰ ভাধৰাত সম্প্ৰতি দেখা গৈছে বিপৰীত ছবি। মুৰৰ ঘাম মাটিত পেলাই সেউজীয়া কৰা পথাৰ সমূহৰ সৈতে সংপৃক্ত শ শ খেতিয়কৰ মাজত লাগিছে হাহাকাৰ। ইয়াৰ কাৰণ শূৰ পোক। হয়, পানবেচাৰ শ শ বিঘা ভূমিত বৰ্তমান শূৰ পোকে চলাইছে উপদ্ৰৱ। কম দিনৰ ভিতৰতে শূৰ পোকে বিঘাই বিঘাই সঁজাল ধৰা ধান খাই উদং কৰিছে পথাৰ। বিশেষকৈ পানবেছাৰ তাঁতী পথাৰত সঁজাল ধৰা ধান অসংখ্য শূৰ পোকে গুৰিলৈকে খাই শেষ কৰিছে। সঁজাল ধৰা ধান হ'বলৈ মাত্ৰ এক ডেৰ মাহ বাকী থকা অৱস্থাত এই শূৰ পোকে এফালৰ পৰা ধান নষ্ট কৰাত মূৰে-কপালে হাত দিছে খেতিয়কসকলে। নিশাটোৰ ভিতৰতেবিঘাই ধান খাই নিশেষ কৰা শূৰ পোকৰ উপদ্ৰৱৰ বিষয়ে শিৱসাগৰ জিলা কৃষি বিষয়া কাৰ্যালয়ক অৱগত কৰিছে যদিও সমস্যা দূৰ কৰিব পৰা নাই। শূৰ পোক দূৰ কৰিবলৈ কেতবোৰ ঔষধ যোগান ধৰিছে যদিও সেইবোৰে কামত নিদিয়া বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে খেতিয়কসকলে। লক্ষ্যণীয় যে খেতিয়কসকলে এইবাৰ ধন খৰছ কৰি অতি কষ্টৰে ধান খেতি কৰিছিল। দুবাৰকৈ বানপানীয়ে নষ্ট কৰিছিল কঠিয়া। তাৰ পিছতো হাৰ মনা নাছিল কৃষক ৰাইজ। ৰুই শেষ হোৱাৰ দুই-তিনি সপ্তাহৰ পিছতে চৰহা পোকে চলাইছিল উপদ্ৰৱ। বগা পৰি গৈছিল ধাননিসমূহ। কিন্তু কেইদিনমানৰ পিছতে চৰহা পোক যোৱাত পুনৰ ঠন ধৰি উঠিছিল ধাননিসমূহ। খেতিয়কসকলৰ মুখত বিৰিঙিছিল হাঁহি। পিছে অতি কম দিনৰ ভিতৰতে ভূতৰ ওপৰত দানৱ পৰাদি এইবাৰ শূৰ পোকে এফালৰ পৰা তহিলং কৰিছে পথাৰ। অনাগত দিনত শূৰ পোক ৰোধিবলৈ কৃষি বিভাগে কি পদক্ষেপ ল'ব সেয়া লক্ষ্ণীয় হ'ব।

## অনাগত সময়ছোৱাত কংগ্ৰেছৰ বিজয়ধ্বজ্জা উৰিব

# কোকৰাঝাৰ জিলা কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, কোকৰাঝাৰ, ৩ অক্টোবৰঃ** কোকৰাঝাৰ জিলা কংগ্ৰেছৰ কাৰ্যালয় ৰনেন্দ্ৰ ভৱনত আজি জিলা কংগ্ৰেছৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। জিলা কংগ্ৰেছৰ উক্ত বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত উপস্থিত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক পৃথিৱীৰাজ পি সাথে, বিধায়ক তথা অসম প্ৰদেশৰ কাৰ্যকাৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ উপস্থিত থাকি দিহা-পৰামৰ্শ আগবঢ়ায়। বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত মূলত: কংগ্ৰেছ দলক আগুৱাই নিয়া আৰু শক্তিশালী ৰণনীতি তৈয়াৰ কৰা সন্দৰ্ভত বিস্তাৰিতভাৱে আলোচিত হয়। বৰ্ধিত কাৰ্যনিৰ্বাহক সভাৰ অন্তত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক পৃথিৱীৰাজ পি সাথেই কয় যে বিটিআৰত কংগ্ৰেছক মজবুত কৰা হ'ব আৰু প্ৰতি মাহত পৰ্যালোচনা বৈঠক অনুষ্ঠিত হ'ব। ১৫-২০ বছৰ পিছত মিত্ৰতা এৰি কংগ্ৰেছে যোৱাবাৰ কোকৰাঝাৰ লোকসভা আসনত নিৰ্বাচন খেলিছে তৎসত্বেও লাখতকৈ অধিক ভোট পাইছে আৰু ইয়ে দলটোৰ প্ৰতি থকা জনসাধাৰণৰ আস্থাকে সূচাইছে বুলি মন্তব্য কৰি অনাগত সময়ছোৱাত কংগ্ৰেছৰ বিজয়ধ্বজ্জা উৰিব বুলি মন্তব্য কৰে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক পৃথিৱীৰাজ পি সাথে। ইয়াৰোপৰি উপ নিৰ্বাচনত পূৰ্ণ শক্তিৰে কংগ্ৰেছে অৱতীৰ্ণ হ'ব বুলি মন্তব্য কৰে পৃথিৱীৰাজ পি সাথেই। আনহাতে গান্ধী জয়ন্তীৰ এদিন পূৰ্বে সোনম ৱাংচুকক আটক কৰি গান্ধীজীৰ আদৰ্শক ভেঙুচালি কৰা বুলিও অভিযোগ কৰিছে পৃথিৱীৰাজ পি সাথেই। উল্লেখ্য যে আজিৰ সভাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক ক্ৰমে ভৱানন্দ নাথ, গৰ্জন মুছাহাৰী, জিলা কংগ্ৰেছৰ সভাপতি প্ৰেম হাসদা, সম্পাদক হাবিল শেখ আদিকে ধৰি জিলা কংগ্ৰেছৰ নেতৃবৰ্গ উপস্থিত থাকে।




ৰাঁচিত 'The Follow Up Conclave-2024'ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

# কোকৰাঝাৰত এসপ্তাহ ধৰি অষ্টম শ্ৰেণীৰ এজন ছাত্ৰ সন্ধানহীন

**ই-সংবাদ, কোকৰাঝাৰ, ৩ অক্টোবৰঃ** কোকৰাঝাৰ জিলাৰ গৌৰাং হাইস্কুলৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ তথা বালাজান তিনালী নিৱাসী স্বৰ্গীয় সঞ্জয় যাদৱ আৰু ৰংজালী বসুমতাৰী যাদৱৰ পুত্ৰ জয় যাদৱ (১৪) ৰহস্যজনক ভাৱে বিগত এসপ্তাহ ধৰি সন্ধানহীন হৈ থকা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিয়ালৰ লোকে জয় যাদৱক বিচাৰি বিভিন্ন ঠাইত খা-খবৰ লৈছে যদিও জয় যাদৱৰ কোনো শুংসূত্ৰ পোৱা নাই। এই সন্দৰ্ভত বালাজান উপ আৰক্ষী চকীত সন্ধানহীন জয় যাদৱৰ খুৰাক বাবলু যাদৱে দিয়া এজাহাৰত উল্লেখ কৰা মতে ২৬ ছেপ্টেম্বৰৰ বিয়লি ৫ঃ১০ মান বজাত নিজ গৃহৰ পৰাই জয় যাদৱ সন্ধানহীন হৈছে। ৫ফুট ৬ ইঞ্চি উচ্চতাৰ, ক'লা বৰণৰ, পিন্ধনত লংপেন্ট-চাৰ্ট পৰিহিত জয় যাদৱৰ কোনোবাই সন্ধান লাভ কৰিলে নিকটৱৰ্তী থানা বা ৮৪৮৬০৯২৫৪৬ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ তৰফৰ আহ্বান জনাইছে।

## আজমলৰ নিৰ্দেশ

# আঢ়ৈশ বিধৱা মহিলালৈ মৰ্কজুল মাআৰিফৰ ২৫ লাখ টকা সাহায্য

**ই-সংবাদ, ৩ অক্টোবৰ, মোৰাঝাৰঃ** সম্প্ৰীতিৰ এক উৎকৃষ্ট নিদৰ্শন । মানৱীয়তাৰ বিৰল উদাহৰণ। হোজাইৰ প্ৰখ্যাত এনজিঅ মৰ্কজুল মাআৰিফে আজি দাঙি ধৰিলে এই নিদৰ্শন। আঢ়ৈশ বিধবা মহিলালৈ দহ হাজাৰ টকাকৈ আগবঢ়ালে সৰ্বমুঠ পচিশ লাখ টকাৰ অনুদান। এই কাৰ্যসূচীত উপস্থিত থকা কমল দত্তৰ মন্তব্য - মানৱীয় সাহায্য বিতৰণৰ এনে দৃশ্য সঁচাকৈ সুলভ । এয়া আজমলৰ কোনো ৰাজনৈতিক সাহাৰ্য নহয়, ভোট লাভৰ সাহাৰ্য্য নহয় , এয়া মানৱতাৰ উল্লেখযোগ্য নিদৰ্শন । বিগত 1982-83 চনত মৌলানা বদৰুদ্দিন আজমলৰ দাৰা প্ৰতিষ্ঠিত হোৱা মৰ্কজুল মাআৰিফ হোজাইবাসীৰ মাজত অতিকৈ জনপ্ৰিয় হৈ পৰিছে । গোটেই বছৰ মানৱীয় সেৱাত ব্ৰতী থাকে সংস্থাটো । সেই পৰম্পৰা অব্যাহত ৰাখি আজি তিনি অক্টোবৰৰ দিনা সংস্থাটোৱে জাতি ধৰ্ম নিৰ্বিশেষে 250 গৰাকী বিধৱা মহিলালৈ আগবঢ়ায় মুঠ পঁচিশ লাখ টকাৰ আৰ্থিক সাহাৰ্য্য । প্ৰতিগৰাকী বিধবাক দিয়া হয় দহ হাজাৰকৈ টকাকৈ। এই উপলক্ষে সংস্থাটোৰ হোজাইৰ পাবলিক লাইব্ৰেৰীত আয়োজিত কাৰ্যসূচীত সভাপতিত্ব কৰে মৰ্কজুল মাআৰিফৰ সভাপতি প্ৰফেছৰ ৰশীদ আহমেদে। হোজাইৰ কেবাজনো গণ্যমান্য ব্যক্তিয়ে এই কাৰ্যসূচীত ভাগ লৈ মৰ্কজুল মা আৰিফৰ এই পদক্ষেপৰ ভূয়সী প্ৰশংসা কৰে। বিশিষ্ট সমাজকৰ্মী কমল দত্ত, কৃষ্ণকান্ত দত্ত, প্ৰভাত কয়েলকে ধৰি ব্যক্তিসকলে নিজৰ বক্তব্যত কয় যে, দৰিদ্ৰ লোকৰ কোনো জাতি নাই, ধৰ্ম নাই। সেইদৰে মৰ্কজুল মা আৰিফ কোনো নিৰ্দিষ্ট ধৰ্মীয় লোকৰ সংস্থা নহয়। সকলো মানুহৰ বাবে, সকলো মানৱতাৰ বাবে কাম কৰে সংস্থাটোৱে। মৰ্কজুল মাআৰিফৰ সাধাৰণ সম্পাদক দেৱান আব্দুল আলীম চৌধুৰীয়ে সাংবাদিকক কয় যে, জন্ম লগ্নৰে পৰা মৰ্কজুল মা'আৰিফে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ হিত সাধনৰ চেষ্টা চলাই আহিছে আৰু আগলৈকো এই প্ৰয়াস অব্যাহত ৰাখিব।

# জে বি কলেজত টাই ভাষাৰ কৰ্মশালাৰ সফল সামৰণি



জে বি কলেজত টাই ভাষাৰ কৰ্মশালাৰ সফল সামৰণি

**ই-সংবাদ, ৩ অক্টোবৰঃ** জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু টাই হেৰিটেজ প্ৰিজাৰভেচন নেটৱৰ্কৰ সহযোগত ১৯ ছেপ্তেম্বৰৰ পৰা ৩ অক্টোবৰলৈকে দহ দিনীয়া টাই ভাষাৰ এখনি কৰ্মশালা অনুষ্ঠিত হয়। সেই উপলক্ষে জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ আলোচনা কক্ষত সফল সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন মূল সভাৰ আয়োজন কৰা হয়। মূল সভাখনিৰ আঁত ধৰে অসমীয়া বিভাগৰ অধ্যাপিকা ড০ জ্যোতিৰেখা হাজৰিকাই। অসমীয়া বিভাগৰ সকলো অধ্যাপক অধ্যাপিকাৰ সভাত মহাবিদ্যলয়ৰ অধ্যক্ষ ড° উৎপল জ্যোতি মহন্ত আৰু উপাধ্যক্ষ ড° নুৰুল আলি উপস্থিত থাকে।

## ন ৰূপত ৰাইজৰ মাজলৈ যোৱাৰ প্ৰয়াস চলোৱাৰ সংকল্প

# উজনিত অগপৰ ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে চাবুৱাত ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, ডিব্ৰুগড়, ৩ অক্টোবৰঃ** ঐতিহাসিক অসম আন্দোলনৰ পটভূমিত প্ৰতিষ্ঠা লাভ কৰা ৰাজ্যৰ অন্যতম আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদৰ ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস এইবেলি উজনিৰ ডিব্ৰুগড় জিলাত পালন কৰা হ'ব। একালত অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠী তথা ধৰ্মাৱলম্বীলোকে আকোৱালি লোৱা অসম গণ পৰিষদে পুনৰ ৰাইজৰ মাজলৈ যোৱাৰ প্ৰয়াস কৰাৰ সময়তে উজনিত সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ প্ৰয়াস কৰি এইবেলি ডিব্ৰুগড়ত প্ৰতিষ্ঠা দিৱস পালন কৰিবলে ব্যাপক প্ৰস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। আঞ্চলিকতাবাদৰ উত্থানত চাবুৱাৰ জেৰাই গাঁৱৰ এক বিশেষ ভূমিকা আছে। সেই ঐতিহাসিক জেৰাই গাঁৱতেই ৪০ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস আয়োজন কৰিছে দলটোৱে। চাবুৱাবাসী ৰাইজৰ সহযোগত আৰু জেৰাই গাঁওবাসী ৰাইজৰ আতিথ্যত অহা ১৪ অক্টোবৰত এদিনীয়া কাৰ্যসূচীৰে আড়ম্বৰপূৰ্ণভাৱে অসম গণ পৰিষদ দলৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন কৰা হৈছে। ইতিমধ্যে শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। চাবুৱা সমষ্টিৰ অগপৰ বিধায়ক পোনাকণ বৰুৱাক সভাপতি, বিমল বৰুৱাক কাৰ্যকৰী সভাপতি, স্বপন মজুমদাৰ, প্ৰমোদ ভেংৰা আৰু নিপুল কোঁৱৰক সম্পাদক হিচাপে লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। প্ৰতিষ্ঠা দিৱসত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অগপ সভাপতি তথা মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্ত, বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ



চৌধুৰী, ৰাজসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, আলফাৰ প্ৰাক্তন সাধাৰণ সম্পাদক গোলাপ বৰুৱা ওৰফে অনুপ চেতিয়া উপস্থিত থাকিব। আটাইকেইগৰাকী অগপ বিধায়ক, নিকায় নিগমৰ অধ্যক্ষ-উপাধ্যক্ষ, কেন্দ্ৰীয়, জিলা, আঞ্চলিক পৰ্যায়ৰ নেতাকৰ্মীসকল উপস্থিত থাকিব। প্ৰায় ২৫-৩০ হাজাৰ দলৰ কৰ্মী প্ৰতিষ্ঠা দিৱসত উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিবৰ বাবে সকলো ৰাইজলৈ নিমন্ত্ৰণী শৰাই আগবঢ়াইছে।

পোনাকণ বৰুৱাই কয় যে জাতীয় জীৱনলৈ অহা সংকটৰ সময়ত দুৰ্জেয় শক্তি হিচাপে কাম কৰা দলটোৱে সুৰক্ষিত, শক্তিশালী আৰু বিকশিত অসমৰ শ্ল'গান দি যাব। সম-অধিকাৰ আৰু সম-বিকাশৰ বাবে অগপ দলে কাম কৰি আহিছে। ভাৰতবৰ্ষ দৰে এখন বিশাল তথা বৈচিত্ৰময় দেশৰ শাসন ব্যৱস্থাত আঞ্চলিকতাবাদৰ প্ৰয়োজন আৰু প্ৰাসংগিকতা আছে। অসমৰ দৰে এখন ৰাজ্যত আৰ্থ-সামাজিক ধ্বজা বহনকাৰী অসম গণ পৰিষদ দলৰ স্থিতি এই সময়ছোৱাত গুৰুত্বপূৰ্ণ বুলিও কয় বিধায়ক বৰুৱাই।

# ধৰমতুল থানাৰ উপ-পৰিদৰ্শক লিজা বৰুৱাক ৰিজাৰ্ভ ক্ল'জৰ নিৰ্দেশ

## অভিযুক্তক ৰক্ষণাবেক্ষণ দি অভিযোগকাৰী ছাত্ৰীক কৰিছিল প্ৰহাৰ

**ই-সংবাদ, মৰিগাঁও, ৩ অক্টোবৰঃ** মৰিগাঁও জিলাৰ ধৰমতুল আৰক্ষী থানাৰ বহু বিতৰ্কিত উপ-পৰিদৰ্শক লিজা বৰুৱাক অৱশেষত আজি ৰিজাৰ্ভ ক্ল'জ কৰে মৰিগাঁৱৰ আৰক্ষী অধীক্ষ হেমন্ত কুমাৰ দাসে। উল্লেখ্য যে ধৰমতুলৰ এগৰাকী দশম মান শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীয়ে তেঁওক খাইৰুল আলী এজন যুৱকে বিভিন্ন ধৰণে হাৰাশাস্তি কৰি থকাৰ অভিযোগ উত্থাপন কৰি ধৰমতুল আৰক্ষী থানাত বিগত ২৫ ছেপ্টেম্বৰত এখন এজাহাৰ দাখিল কৰিছিল। কিন্তু এই এজাহাৰৰ ভিত্তিত ৰুজু হোৱা গোচৰটোৰ তদন্তকাৰী বিষয়া আৰক্ষী থানাখনৰ উপ-পৰিদৰ্শক লিজা বৰুৱাই ছাত্ৰীগৰাকীক গোচৰটো উঠাই লবৰ বাবে তাগিদা দিবলৈ ধৰে। ছাত্ৰীগৰাকী এই ক্ষেত্ৰত অমান্তি হোৱাত নানা ধৰণৰ দাবী ধমকি দিয়াৰ অন্তত আৰক্ষী থানাৰ কোঠা এটাত সুমুৱাই লৈ বেআইনী ভাবে মাৰপিট কৰিছিল। ইয়াৰ পিছত অসুস্থ হৈ পৰা ছাত্ৰী গৰাকীক চিকিৎসালয়ত ভৰ্তি কৰিব লগীয়া হৈছিল। এই ঘটনাটোৰ সন্দৰ্ভত সংবাদ মাধ্যমত সবিস্তাৰে বাতৰি প্ৰকাশ পোৱাৰ লগতে বিভিন্ন দল-সংগঠনে এই ঘটনাটোৰ এক তদন্ত কৰি দোষীক শাস্তিৰ দাবী কৰে। অৱশেষত মৰিগাঁৱৰ আৰক্ষী অধীক্ষ গৰাকীয়ে এই সমগ্ৰ ঘটনাটোৰ ওপৰত এক তদন্ত ঘোষণা কৰি ইয়াৰ সমান্তৰালকৈ আজি উপ-পৰিদৰ্শক লিজা বৰুৱাক ৰিজাৰ্ভ ক্লজ কৰে। আনহাতে কিশোৰীগৰাকীক হাৰাশাস্তি কৰা সন্দৰ্ভত ধৰমতুল আৰক্ষী থানাত পক'চ আইনৰ অধীনত ইতিমধ্যে ৰুজু হোৱা গোচৰটোৰ অভিযুক্ত খাইৰুল আলীক আজি জেল হাজোতলৈ প্ৰেৰণ কৰা হয়। বিতৰ্কিত আৰক্ষী বিষয়াগৰাকীক বিভাগীয় শাস্তি প্ৰদানত ৰাইজে সন্তুষ্টি লভিছে।

# চাপৰ আৰক্ষীৰ অভিযানত অবৈধ কাঠফলা মিল জব্দ



**ই-সংবাদ, চাপৰ, ৩ অক্টোবৰঃ** ধুবুৰী জিলাৰ চাপৰ থানাৰ আৰক্ষীয়ে এক অভিযান চলাই অবৈধ ভ্ৰাম্যমাণ কাঠফলা মিলসহ কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে চাপৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পোম খেদি চাপৰ থানাৰ অন্তৰ্গত তথা বহলপুৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ হৰ্দেমাৰাত অভিযান চলাই এটা অবৈধ কাঠফলা মিলসহ কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। অভিযোগ মতে বন বিভাগৰ নিৰ্লিপ্ত ভুমিকাৰ সুযোগ গ্ৰহণ কৰি তথা বন বিভাগৰ একাংশ কৰ্মচাৰীক মেনেজ কৰি বহু দিনৰ পৰা অবৈধ কাঠফলা মিলটো হৰ্দেমাৰাত চলি আছিল। চাপৰ আৰক্ষীয়ে বুধবাৰ দুপৰীয়া ২.৩০ মান বজাত হৰ্দেমাৰাত অভিযান চলাই অবৈধ কাঠফলা মিলটো জব্দ কৰে। পিছত আৰক্ষীয়ে কাঠফলা মিলটো বহলপুৰ আঞ্চলিক বন বিভাগক বুজাই দিয়ে। বন বিভাগৰ নিৰ্লিপ্তাৰ সুযোগ গ্ৰহণ কৰি একাংশ দুষ্কৃতিকাৰীয়ে চাপৰ তথা ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ পাহাৰ সমূহৰ শাল, চেগুন, গামাৰী আদিৰ দৰে মূল্যবান গছবোৰ কাটি তহলিং কৰিছে বুলি ক্ষোভ প্ৰকাশ কৰে প্ৰকৃতিপ্ৰেমী ৰাইজে।

# নগাঁৱৰ গেদাৰবড়িত তিনিদিনীয়াকৈ শংকৰদেৱ সংঘৰ অংকীয়া নাট সমাৰোহ

**ই-সংবাদ, বেবেজীয়া, ৩ অক্টোবৰঃ** উত্তৰ-পূৰ্বৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চতুৰ্বিংশতি সংখ্যক কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহখনি অহা ১০ অক্টোবৰৰ পৰা তিনিদিনীয়াকৈ নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ গেদাৰবড়িৰ শ্ৰীমন্ত শংকৰদেৱ আৰু বড়াৰ পো সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। এই সমাৰোহত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি অংকীয়া নাট প্ৰতিযোগিতামুলকভাবে সংঘৰ নগাঁও জিলা শাখাৰ আতিথ্যত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি ১০ অক্টোবৰত পুৱা নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই তোৰণ উন্মোচন কৰাৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰিব সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাই। দিনৰ ১১ বজাৰ পৰা নাট সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। সংঘৰ সংস্কৃতি শাখাৰ সভাপতি পবিত্ৰ প্ৰাণ বৰাৰ সভাপতিত্বত অনুস্থিত হ'বলগীয়া অনুষ্ঠানত নাট সমাৰোহখনি উদ্বোধন কৰিব সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। অনুষ্ঠানত মুখ্য অতিথি হিচাপে সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, নিৰ্দিষ্ট বক্তা হিচাপে যুৱ সাংবাদিক এঞ্জেলা চাংমাই আৰু বিশিষ্ট অতিথি হিচাপে সত্ৰাধিকাৰ হিৰু প্ৰসাদ মহন্তই অংশগ্ৰহণ কৰিব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সংঘৰ ট্ৰাষ্ট সমিতিৰ সভাপতি প্ৰফুল্ল বৰাই। ইয়াৰ পিছতেই সংঘৰ নগাঁও জিলা শাখাই প্ৰদৰ্শন কৰিব 'ৰাম বিজয়' অংকীয়া নাট। উদ্বোধন কৰিব মানৱদৰদী চিকিৎসক ডাঃ হিতেশ বৰুৱাই। লগতে সংঘৰ কলিয়াবৰ জিলা শাখাই প্ৰদৰ্শন কৰিব 'কালীয় দমন' অংকীয়া নাট। ১১ অক্টোবৰত দিনৰ ১ বজাৰ পৰা শংকৰী সংস্কৃতি আৰু লোক কৃষ্টি প্ৰদৰ্শন অনুষ্ঠান অনুস্থিত হ'ব। এই অনুষ্ঠান মুকলি কৰিব সংঘৰ মুলৰ সদস্য মৌচুমী কাকতিয়ে। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব সাহিত্যিক কুশল চন্দ্ৰ হাজৰিকা আৰু শিল্পী কৃষ্ণমণি নাথে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকাই। ইয়াৰ পিছতেই গহপুৰ জিলা শাখাই প্ৰদৰ্শন কৰিব লগা 'ৰাম বিজয়' নাটখনি উদ্বোধন কৰিব প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই। তদুপৰি কামপুৰ জিলা শাখাই প্ৰদৰ্শন কৰিব লগা 'কালীয় দমন' নাটখনি উদ্বোধন কৰিব ৰহাৰ বিধায়ক তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি শশীকান্ত দাসে। ১২ অক্টোবৰৰ অন্তিম দিনা দিনৰ ১১ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকাৰ পৌৰহিত্যত অনুস্থিত হ'বলগীয়া মুকলি সভাখনি উদ্বোধন কৰিব সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সংঘৰ সাহিত্য শাখাৰ সম্পাদক ড° মানস প্ৰতীম বৰা। সভাত আমন্ত্ৰিত অতিথি হিচাপে মন্ত্ৰী কেশৱ মহন্ত, অজন্তা নেওগ, পীযুষ হাজৰিকা, বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, শিৱামণি বৰা, প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, সংঘৰ সাংস্কৃতিক শাখাৰ সভাপতি পবিত্ৰ প্ৰাণ বৰা, উপ পদাধিকাৰ চক্ৰধৰ সোনোৱাল আৰু অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইকে ধৰি ভালে সংখ্যক বিশিষ্ট লোকে ভাগ ল'ব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব মুলৰ সদস্য নলিনী বৰাই। ইয়াৰ পিছতে অন্তিম দিনৰ নাট সমাৰোহত বিশ্বনাথ জিলা শাখাই প্ৰদৰ্শন কৰিব লগা নাট 'কালীয় দমন' উদ্বোধন কৰিব চিকিৎসক নীলোৎপল সুতে। লগতে বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখাই প্ৰদৰ্শন কৰিবলগা 'ৰুক্মিণী হৰণ' নাটখনি উদ্বোধন কৰিব নগাঁও কলেজৰ অবসৰপ্ৰাপ্ত অধ্যাপক ড° গিৰিকান্ত গোস্বামীয়ে। সমাৰোহ সফল কৰিবলৈ আয়োজকে ৰাইজক আহ্বান জনাইছে।

# ডিভিজন ফুটবল লীগত গড়মাৰী ৰাইনুজ আৰু ইয়ং স্পাৰ্টিংৰ জয়লাভ



**ই-সংবাদ, মৰিগাঁও, ৩ অক্টোবৰঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ তীব্ৰ প্ৰতিদণ্ডিতামূলক প্ৰথম খেলখন নৱজ্যোতি ক্লাৱ আৰু দলবাৰী যুৱকল্যাণ সংঘৰ মাজত গ'লশূন্য ভাৱে অমীমাংসিত হৈ ৰোৱাত উভয় দলেই এক পইন্টকৈ লাভ কৰে। বিপুল সংখ্যক ফুটবল প্ৰেমী দৰ্শকৰ উপস্থিতিত বিয়লিৰ ভাগত অনুষ্ঠিত দ্বিতীয়খণ খেলত ব'লব'ম ফুটবল ক্লাবে সুন্দৰ দলীয় সংহতিৰ খেল প্ৰদৰ্শন কৰি অসম জ্যোতি ক্লাৱক ৪-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি ক্ৰমাগত দ্বিতীয়খন খেলত জয়লাভ কৰি পইন্ট তালিকাৰ শীৰ্ষ স্থানত অৱস্থান গ্ৰহণ কৰিছে। আজিৰ খেল দুখন অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী ভোগসিং বৰদলৈ, ধনঞ্জয় পাতৰ, ৰঞ্জিত বাংঠাই আৰু শ্বাহিদুৰ ৰহমানে পৰিচালনা কৰে।



**মুখ্যমন্ত্ৰীয়ে ছচিয়েস মিডিয়াত শ্বেয়াৰ কৰিলে বিশেষ ছেলফি**

# মৰিগাঁৱৰ জিলা আয়ুক্তৰ সভাকক্ষত সম-জিলাক লৈ গুৰুত্বপূৰ্ণ বৈঠক সম্পন্ন



**ই-সংবাদ, মৰিগাঁও, ৩ অক্টোবৰঃ** অসমৰ প্ৰশাসনিক খণ্ডৰ নৱতম সংযোজন নতুন "সম-জিলা" পদক্ষেপৰ উন্মোচন সন্দৰ্ভত আজি তিনি অক্টোবৰত জিলা আয়ুক্তৰ সভাকক্ষত এখনি গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত "সম-জিলা" পদক্ষেপৰ অধীনত জাগীৰোড আৰু লাহৰীঘাটক নতুন সম-জিলা হিচাপে নিযুক্ত কৰা হ'ব বুলি ঘোষণা কৰা হয়।জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বৈঠকখনত আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে এই অঞ্চলসমূহে এতিয়াৰ পৰা প্ৰশাসনিক কেন্দ্ৰ হিচাপে কাম কৰিব, স্থানীয় বাসিন্দাসকলৰ বাবে অত্যাৱশ্যকীয় চৰকাৰী সেৱাসমূহৰ সুবিধা উন্নত কৰিব।এই সৰু প্ৰশাসনিক ইউনিট সমূহে প্ৰমাণপত্ৰ, ৰেচন কাৰ্ড, মাটিৰ অনুমতি পত্ৰ, আৰু অন্যান্য চৰকাৰী অনুমোদন প্ৰদানৰ দৰে অত্যাৱশ্যকীয় সেৱাসমূহ সৰল আৰু ক্ষিপ্ৰতাৰে কৰিব। ইয়াৰ ফলত নাগৰিকসকলে জিলা সদৰলৈ বহু দূৰ যাত্ৰা কৰাৰ প্ৰয়োজনীয়তা বহু পৰিমাণে হ্ৰাস পাব, যাৰ ফলত দক্ষতা আৰু সুলভতা বৃদ্ধি পাব।আয়ুক্ত গৰাকীয়ে চৰকাৰী কাম-কাজক গ্ৰাম্য জনসাধাৰণৰ ওচৰলৈ অনা, অসমৰ সামগ্ৰিক শাসন গাঁথনি উন্নত কৰাই সম জিলাৰ মূল লক্ষ্য বুলি মন্তব্য আগবঢ়ায়। এই পদক্ষেপে মৰিগাঁৱত জনসেৱা প্ৰদান আৰু প্ৰশাসনিক দক্ষতাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পৰিৱৰ্তন আনিব বুলি আয়ুক্তগৰাকী আশাবাদী।এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত, বিভিন্ন বিভাগৰ উচ্চপদস্থ বিষয়া, আৰু এই পদক্ষেপ ৰূপায়ণৰ সৈতে জড়িত বিভিন্ন ব্যক্তি সকলে অংশগ্ৰহণ কৰে। লগতে সমজিলাৰ দায়িত্ব লাভ কৰা অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱা, বিমান দাসকে ধৰি অন্যান্য চৰকাৰী বিভাগৰ কৰ্মচাৰী সকলক বিদায় সম্বৰ্ধনা জনোৱা হয়। আয়ুক্ত দেৱাশীষ শৰ্মাই সকলোকে বিদায় সম্বৰ্ধনা জনায়। অহা ৫ অক্টোবৰত আনুষ্ঠানিক ভাৱে সমজিলা উদ্বোধন কৰা হব।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)